জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৪/২০২৩**

**অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ২৮ সংখ্যক ৰাজ্যিক অধিৱেশনত অংশগ্ৰহণ মুখ্যমন্ত্ৰীৰ**

# ছাত্ৰ শক্তিক ৰাষ্ট্ৰ নিৰ্মাণত ব্যৱহাৰৰ বাবে ছাত্ৰ সংগঠনক পথ প্ৰদৰ্শকৰ ভূমিকা ল'বলৈ আহ্বান মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

**দিছপুৰ, ৮ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী কমাৰ্চ কলেজ প্ৰাংগণত আয়োজিত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ২৮ সংখ্যক ৰাজ্যিক অধিৱেশনত অংশগ্ৰহণ কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে দেশৰ সাংস্কৃতিক ৰাষ্ট্ৰীয়তাবাদক শক্তিশালীকৰণৰ দিশত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগিব। ছাত্ৰ শক্তি এক বৃহৎ শক্তি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই শক্তিৰ সৈতে ৰাষ্ট্ৰৰ শক্তি ওতপ্ৰোতভাৱে জড়িত হৈ আছে। অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদক প্ৰশংসা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে স্বামী বিবেকানন্দৰ আদৰ্শৰ আধাৰত ৰাষ্ট্ৰ নিৰ্মাণ আৰু যুৱ নেতা সৃষ্টিৰ বাবে এই ছাত্ৰ সংগঠনটোৱে অবিৰতভাৱে কাম কৰি আহিছে। তেওঁ অধিৱেশনত উপস্থিত থাকিবলৈ পাই সন্তোষ প্ৰকাশ কৰি এই সংগঠনটোক ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াত পথ প্ৰদৰ্শকৰ ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অলেখ বিবিধতাৰ মাজতো ভাৰতৰ ভৌগোলিক অখণ্ডতা আৰু ভাৰতৰ সাংস্কৃতিক ঐক্য দুটা বিশেষভাৱে মন কৰিবলগীয়া বৈশিষ্ট্য। বৃটিছ ঔপনিৱেশিকতাবাদীসকলৰ আগমনৰ সহস্ৰ বছৰৰ পূৰ্বৰে পৰাই ভাৰত ভূমিত এই অখণ্ডতা বিৰাজ কৰি আহিছে। এখন ৰাষ্ট্ৰ বা এটা সভ্যতা গঢ় লোৱাৰ প্ৰাথমিক আৰু অপৰিহাৰ্য চৰ্ত হৈছে বসবাসৰ ক্ষেত্ৰ বা এখন দেশৰ অৱস্থিতি। তেওঁ কয় যে সামুদায়িক চেতনাৰ পৰা জাতীয় তথা সাংস্কৃতিক পৰিচয়ৰ জন্ম হয়। ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সমাহাৰেৰে একোটা জাতিৰ স্বতন্ত্ৰ সাংস্কৃতিক পৰিচয় সৃষ্টি কৰাতো একোটা ভৌগোলিক পৰিমণ্ডলৰ অন্যতম লক্ষ্য হৈ পৰে আৰু সেই পৰিচয়ে হৈ পৰে দেশখনৰ বৈশিষ্ট্য। ভাৰতীয় সংস্কৃতিৰ এক অন্যতম বৈশিষ্ট্য হৈছে ভাৰতীয় সভ্যতাই দেশক কেৱল মাত্ৰ এক জড় ৰাজনৈতিক সত্বা হিচাপে জ্ঞান নকৰে। ভাৰত তেওঁলোকৰ বাবে মাতৃ স্বৰূপা এক প্ৰাণৱন্ত দেৱী। যাৰ প্ৰতিটো ভৌগোলিক অৱয়ব-ভূ-প্ৰকৃতি,নদ-নদী, গিৰি-কন্দৰে ভাৰতীয় শাস্ত্ৰৰ শ্লোক তথা স্তুতিসমূহত ঠাই পাইছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে ভাৰতবৰ্ষ এখন যুৱ দেশ, য'ত যুৱ ছাত্ৰ-ছাত্ৰীসকলৰ দেশখনক মহান কৰাৰ সম্ভাৱনা আছে। তেওঁ অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ সদস্য-সদস্যা তথা ছাত্ৰ নেতাসকলক ৰাষ্ট্ৰৰ আভ্যন্তৰীণ সজীৱতাক পুনৰ আৱিষ্কাৰ কৰি ৰাষ্ট্ৰৰ পুনৰ গঠন প্ৰক্ৰিয়া ক্ষিপ্ৰতাৰে গঢ়ি তোলাৰ

বাবে কৰ্মসূচী প্ৰস্তুত কৰাৰ বাবে আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই অধিৱেশনত শক্তিশালী অৰ্থনীতিৰ ভেটি আৰু আত্মনিৰ্ভৰ ভাৰতৰ পৰিকাঠামো গঢ়ি তোলাৰ উপায়সমূহ আলোচনা কৰা উচিত। তেওঁ লগতে কয় যে এই অধিৱেশনে যুৱ শক্তিক শক্তিশালী ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে আত্মোৎসৰ্গা কৰাৰ মাৰ্গ দৰ্শন কৰিব লাগে। ছাত্ৰ-ছাত্ৰীৰ সক্ষমতাক পুনৰ বাৰ দোহাৰি মুখ্যমন্ত্ৰীয়ে কয় যে এতিয়া সেই আন্দোলনৰ দিনবোৰ উকলিল। এতিয়া সময় সলনি হৈছে, য'ত ছাত্ৰ-ছাত্ৰীসকলে কৰ্ম সংস্কৃতিত লিপ্ত হৈ সমাজখনক উন্নতিৰ দিশলৈ ধাৱমান কৰাৰ বাবে ক্ৰমান্বয়ে নিজৰ শক্তি-সামৰ্থৰ উপযুক্ত ব্যৱহাৰ কৰিছে।

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ৰ সন্দৰ্ভত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই নীতিৰ জৰিয়তে ৰাষ্ট্ৰীয় দক্ষতা অৰ্হতা পৰিকাঠামো (এন এছ কিউ এফ)ৰ সৈতে যৌথভাৱে নীতি প্ৰণয়ন কৰি বৃত্তিমলূক শিক্ষাক উচ্চ শিক্ষাৰ সৈতে একত্ৰিকৰণ কৰাতো সহজ কৰি তোলা হৈছে। ৰাষ্ট্ৰীয় শিক্ষা নীতিত একবিংশ শতিকাৰ সময়োপযোগী দক্ষতাৰে বিদ্যাৰ্থী সমাজক আগুৱাই নিয়াৰ লক্ষ্যৰে শৈক্ষিক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। তেওঁ ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ৰ নীতিসমূহৰ ওপৰত সজাগতা সৃষ্টি কৰি দেশৰ মানৱ সম্পদক দক্ষ আৰু উদ্যমী সম্পদলৈ ৰূপান্তৰ সাধনৰ দিশতো ছাত্ৰ সংগঠনটোক অগ্ৰণী ভূমিকা ল'বলৈ আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৰাজ্যিক সভাপতি ৰবিন কাকতি, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ, অসম পৰিষদৰ ৰাজ্যিক সম্পাদক সীমান্ত কুমাৰ বৈশ্য, ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়া প্ৰমুখ্যে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ সদস্য আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**৮/১/২০২৩**